প্ৰযুক্তি

ইতিহাস ৰচিলে ইলন মাস্কৰ spaceXয়ে; মহাকাশলৈ পঠিওৱা ষ্টাৰশ্বিপ যান ঘূৰি অহাৰ পাছত আকাশমাৰ্গতেই সফলতাৰে ধৰিলে SpaceX-এ

টেক্সাছৰ ষ্টাৰবেছত কক্ষপথৰ পৰা উভতি অহা ষ্টাৰশ্বিপ মহাকাশযানখন যান্ত্ৰিক বাহুৰে ধৰি উদ্ধাৰ কৰিছে স্পেছএক্সে।

প্ৰকাশ: ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৪



SpaceX Starship 42 returns from orbit to the launch pad on the 15th test flight from the SpaceX launch complex in Starbase, Texas. (Reuters)

টেক্সাছ, ১৫ নৱেম্বৰ: মহাকাশ অভিযানৰ ইতিহাসত নতুন অভিলেখ গঢ়িছে এলন মাস্কৰ মহাকাশ গৱেষণা প্ৰতিষ্ঠান স্পেছএক্সে। প্ৰথমবাৰৰ বাবে কক্ষপথলৈ গৈ পুনৰ পৃথিৱীলৈ উভতি অহা ষ্টাৰশ্বিপ মহাকাশযানখনক উৎক্ষেপণ কেন্দ্ৰৰ বিশাল যান্ত্ৰিক বাহুৰে সফলতাৰে ধৰিবলৈ সক্ষম হৈছে প্ৰতিষ্ঠানটোৱে।

আমেৰিকাৰ টেক্সাছস্থিত ষ্টাৰবেছ উৎক্ষেপণ কেন্দ্ৰত এই ঐতিহাসিক ঘটনা সংঘটিত হয়। ১৩ নৱেম্বৰত ষ্টাৰশ্বিপৰ ১৫সংখ্যক পৰীক্ষামূলক উৰণ আৰম্ভ হৈছিল।

প্ৰায় ২২ ঘণ্টাৰ মহাকাশ যাত্ৰাৰ সময়ত মহাকাশযানখনে পৃথিৱীৰ চাৰিওফালে ১৪টা পৰিক্ৰমা সম্পূৰ্ণ কৰে আৰু ২৬টা ষ্টাৰলিংক উপগ্ৰহ কক্ষপথত স্থাপন কৰে। তাৰ পাছত পৃথিৱীৰ বায়ুমণ্ডলত প্ৰৱেশ কৰি নিৰ্ধাৰিত স্থানলৈ

উভতি আহে।

উভতি অহাৰ সময়ত ষ্টাৰবেছৰ উৎক্ষেপণ টাৱাৰত সংলগ্ন বিশাল যান্ত্রিক বাহু দুটাই মহাকাশযানখনক মাজ আকাশতে ধৰি ৰাখে। ‘মেকাজিলা’ নামেৰে পৰিচিত এই ব্যৱস্থাৰ সহায়ত মহাকাশযানখনক মাটিত অৱতৰণ নকৰাকৈয়ে উদ্ধাৰ কৰা হয়।

অৱশ্যে অভিযানৰ আনটো অংশত সম্পূৰ্ণ সফলতা লাভ নহ’ল। ষ্টাৰশ্বিপক মহাকাশলৈ কঢ়িয়াই নিয়া প্রথম পর্যায়ৰ ছুপাৰ হেভি বুষ্টাৰটোৰ প্রত্যাৱর্তন আৰু উদ্ধাৰৰ পৰিকল্পনা বিফল হয়। নির্দেশনা ব্যৱস্থাৰ সমস্যাৰ বাবে বুষ্টাৰটোক মেক্সিকো উপসাগৰৰ দিশে পঠিওৱা হয় আৰু পানীত পৰাৰ পূৰ্বেই বিস্ফোৰণ ঘটে।

এই সফলতাই সম্পূৰ্ণৰূপে পুনৰ ব্যৱহাৰযোগ্য মহাকাশযান নির্মাণৰ দিশত স্পেছএক্সৰ লক্ষ্যৰ এক গুৰুত্বপূৰ্ণ অগ্রগতি হিচাপে বিবেচিত হৈছে। নাছাইও এই সফলতাক আদৰণি জনাইছে। চন্দ্রলৈ মহাকাশচাৰী প্রেৰণৰ আৰ্টেমিছ অভিযানত ষ্টাৰশ্বিপ ব্যৱহাৰৰ পৰিকল্পনা আছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3275/spechx-shtaswip-teksach-mekajila